# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 04-02-2026 **Time :** 1100 Hrs.

0000000000

শোণিতপুৰ জিলাৰ মিছামাৰীত আজিৰেপৰা ভাৰত আৰু কিৰ্গিস্তানৰ মাজৰ যুটীয়া সামৰিক অনুশীলন খঞ্জৰৰ ত্ৰয়োদশ সংস্কৰণ অনুষ্ঠিত হৈছে। এই ১৪ দিনীয়া অনুশীলনৰ জৰিয়তে দুয়োখন ৰাষ্ট্ৰৰ বিশেষ বাহিনীসমূহৰ মাজত পাৰস্পৰিক সমন্বয় বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। অনুশীলনৰ সময়ছোৱাত ৰাষ্ট্ৰসংঘৰ নিৰ্দেশনা অনুসৰি নগৰাঞ্চলকেন্দ্ৰিক ৰণকৌশল আৰু সন্ত্ৰাসবাদ বিৰোধী অভিযানত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। এই অনুশীলনে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক প্ৰতিৰক্ষা আৰু সামৰিক সহযোগিতা অধিক শক্তিশালী কৰি তুলিব বুলি আশা কৰা হৈছে। সামৰিক সূত্ৰই প্ৰকাশ কৰা মতে অনুশীলনৰ সময়ছোৱাত ভাৰতৰ আগশাৰীৰ পেৰাছুট ৰেজিমেণ্ট আৰু কিৰ্গিস্তানৰ স্ক'ৰপিয়ন ব্ৰিগেডে দূৰৰ পৰাই শত্ৰুপক্ষক আক্ৰমণ কৰা, অসামৰিক এলেকাত আত্মগোপন কৰি থকা সন্ত্ৰাসবাদীক নিধন কৰা, পাহাৰীয়া এলেকাত অভিযান চলোৱাৰ কৌশল আৰু বিশেষ সন্ত্ৰাসবাদ বিৰোধী অভিযানৰ দৰে উন্নত কৌশলৰ অনুশীলন কৰিব। ভাৰত আৰু কিৰ্গিস্তানে ২০১১ চনৰ পৰা প্ৰতিবছৰে যুঁটীয়া সামৰিক অনুশীলনৰ আয়োজন কৰি আহিছে।

0000000

ৰাজ্যৰ সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে অহা ৮ ফেব্ৰুৱাৰীত নিৰ্বাচন আয়োগৰ এটা দল অসমলৈ আহিব। উপ-নিৰ্বাচনী আয়ুক্তৰ নেতৃত্বৰ দলটোৱে নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ ল'ব। দলটোৱে ৰাজ্যিক নিৰ্বাচনী বিষয়াৰ সৈতে আলোচনাত মিলিত হ'ব। তেওঁলোকে প্ৰতিখন জিলাৰ আয়ুক্ত আৰু শীৰ্ষ আৰক্ষী বিষয়াৰ সৈতেও আলোচনা কৰিব। দলটোৱে ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিৰ সৈতেও আলোচনাত মিলিত হ'ব। একেদৰে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্ত ড° সুখবীৰ সিং সান্ধু আৰু ড° বিবেক যোশীক লৈ গঠিত আয়োগৰ পূৰ্ণাংগ দলটো ১৫ ফেব্ৰুৱাৰীৰ পাছত অসমলৈ আহিব আৰু নিৰ্বাচনী প্ৰস্তুতিৰ পৰ্যালোচনা কৰিব। দুয়োটা দলে নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লৈ উভতি যোৱাৰ পাছতে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনা আছে।

0000000

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশন পৰহিলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰত অনুষ্ঠিত হ'ব। এই উপলক্ষে অধিৱেশনৰ উদ্যোক্তাসকলে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। অধিৱেশনথলীৰ লগতে প্ৰদৰ্শনীথলী, ভোজনালয় আদি সাজু কৰি তোলা হৈছে। এই সন্দৰ্ভত এগৰাকী উদ্যোক্তাই এইদৰে কয় –

বাইট

0000000

আজি বিশ্ব কৰ্কট দিৱস। কৰ্কট ৰোগ সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ লগতে এই ৰোগত আক্ৰান্তসকলৰ সহনশীলতা বৃদ্ধি তথা ৰোগৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত ৰোগীৰ পৰিয়ালৰ সহযোগিতাৰ প্ৰতি সন্মান জনাই প্ৰতি বছৰে ৪ ফেব্ৰুৱাৰীত এই দিৱস পালন কৰা হয়। এইবছৰৰ বিশ্ব কৰ্কট ৰোগ দিৱসৰ মূল বিষয় হৈছে- United by Unique। এই দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিশ্ব কৰ্কট ৰোগ দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত কৰ্কট ৰোগৰ আগতীয়া নিৰীক্ষণ, চিনাক্তকৰণ আৰু চিকিৎসাক অগ্ৰাধিকাৰ দিয়াৰ সংকল্প গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। ৰাজ্য চৰকাৰে

কৰ্কট ৰোগৰ চিকিৎসা আৰ্হিৰ জৰিয়তে সমগ্ৰ অসমত উন্নত প্ৰযুক্তি, আগতীয়াকৈ ৰোগ চিনাক্তকৰণ আৰু সুলভ চিকিৎসা প্ৰদানৰ বাবে স্বাস্থ্য খণ্ডক বিকশাই তোলাৰ বাবে নিৰন্তৰ প্ৰয়াস চলাই আহিছে বুলি তেওঁ মন্তব্য কৰে।

বাইট

0000000

———গোৱালপাৰা জিলাৰ আগিয়া থানাৰ অন্তৰ্গত বুধিপাৰাত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত দুজন লোকৰ মৃত্যু হোৱাৰ লগতে ৮ জন লোক আহত হয়। আৰক্ষী সূত্ৰৰ উদ্ধৃতি দি আমাৰ সংবাদদাতাই জনোৱা মতে ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত ৰখাই থোৱা বিবাহযাত্ৰী কঢ়িওৱা এখন বাছ আৰু এখন মেজিক গাড়ীক এখন ট্ৰাকে খুন্দিওৱাৰ ফলতে এই দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাত নিহত হোৱা লোক দুজন নৰেশ দাস আৰু ৰবি দাস বুলি চিনাক্ত কৰা হৈছে। আহতসকলক ততালিকে গোৱালপাৰাৰ ছহিদ নিধানুৰাম ৰাজবংশী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।

00000000

**সমাপ্ত**